**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-12-2024 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি বিশ্বনাথ, ডিব্ৰুগড় আৰু নগাঁও জিলাত জনসাধাৰণৰ মাজত বিভিন্ন আঁচনিৰ অধীনত ধন বিতৰণ আৰু সাহাৰ্য্য প্ৰদান কৰা হ'ব। লখিমপুৰৰ চকুলিভৰীয়াত থকা লখিমপুৰ বাণিজ্য মহাবিদ্যালয় খেলপথাৰৰ সমীপত আয়োজন কৰিবলগীয়া অনুষ্ঠানত শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। শিক্ষা বিভাগৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত জিলাখনৰ এহেজাৰ ৯৮৪ গৰাকী শিক্ষাৰ্থীক স্কুটাৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কৰা হ'ব। সেইদৰে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীলৈ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

বিকাশৰ বাবে ১২ দিন কাৰ্যসূচীত অংশ হিচাপে ডিব্ৰুগড় জিলাৰ মানকটা পূজা ফিল্ডৰ অনুষ্ঠানত শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে অংশগ্ৰহণ কৰিব। সেইদৰে বিশ্বনাথ জিলাৰ কমলাকান্ত ক্ষেত্ৰত আয়োজিত অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰী অশোক সিংহলে মুখ্য অতিথি হিচাপে ভাগ ল'ব।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অহা ২৯ ডিচেম্বৰত স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষক নিযুক্তিৰ বাবে অনুষ্ঠিত হ'বলগা টেট তথা নিযুক্তি পৰীক্ষা পিছুৱাবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিছে। একাংশ প্ৰাৰ্থীয়ে দাখিল কৰা এখন লেখ আবেদনৰ শুনানি লৈ কালি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনীষ চৌধুৰীৰ এজনীয়া বিচাৰপীঠে এই নিৰ্দেশ প্ৰদান কৰে। শিক্ষা বিভাগে অহা ২৯ ডিচেম্বৰত টেট তথা নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ ঘোষণা কৰিছিল যদিও ৫ ডিচেম্বৰতহে গণিত বিষয়টো নতুনকৈ অন্তৰ্ভুক্ত কৰে। ইয়াকে লৈ একাংশ প্ৰাৰ্থী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। প্ৰাৰ্থীসকলৰ এই আবেদনৰ ভিত্তিত ন্যায়ালয়ে পৰীক্ষাৰ দিন কমেও ১৫ দিন পিছুৱাই নিবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০

অসম আৰক্ষীৰ উপ-পৰিদৰ্শকৰ ২০৩টা বিভিন্ন পদৰ বাবে অহা ৫ জানুৱাৰীত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। অহা ২৩ ডিচেম্বৰত এই লিখিত পৰীক্ষাৰ প্ৰৱেশ পত্ৰসমূহ প্ৰকাশ কৰা হ'ব। নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীয়ে slprbassam.in ৱেবছাইটৰ পৰা প্ৰৱেশ পত্ৰবোৰ ডাউনলোড কৰিব পাৰিব বুলি ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ডে এই কথা সদৰি কৰিছে। উল্লেখযোগ্য যে এই নিযুক্তি পৰীক্ষাত অনুষ্ঠিত হ'বলগীয়া ২০৩টা উপ-পৰিদৰ্শকৰ পদৰ ভিতৰত ১৪৪টা ইউ বি, ৫১টা এ বি, ৭টা কমিউনিকেচন আৰু এটা অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সহকাৰী উপ-নিয়ন্ত্ৰক পদ অন্তৰ্ভুক্ত আছে।

০০০০০০

ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্তৰ-পূব পৰিষদৰ ৭২ সংখ্যক পূৰ্ণাংগ বৈঠকত সভাপতিত্ব কৰিব। বৈঠকত উত্তৰ-পূৰ্বাঞ্চল উন্নয়নৰ কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ড° সুকান্ত মজুমদাৰো উপস্থিত থাকিব। এই বৈঠকত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলেও অংশগ্ৰহণ কৰিব। উত্তৰ-পূব পৰিষদৰ এই পূৰ্ণাংগ বৈঠক কাৰিকৰী সত্ৰৰে কালি আৰম্ভ হৈছে। জ্যোতিৰাদিত্য সিন্ধিয়াই কালি সন্ধিয়া আগৰতলাত উপস্থিত হৈ সাংবাদিকৰ আগত কয়, যে এই বৈঠকে উত্তৰ-পূৰ্বাঞ্চলৰ দ্ৰুত বিকাশৰ নতুন বুনিয়াদ গঢ়িব। অদূৰ ভৱিষ্যতে এই অঞ্চলটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিচৰা ধৰণে বিকশিত অঞ্চল হিচাপেও পৰিগণিত হ'ব বুলি মন্ত্ৰী সিন্ধিয়াই দৃঢ়তাৰে কয়।

০০০০০০

লখিমপুৰৰ চিনাতলীয়া বাগিচাত শ্ৰম মন্ত্ৰী ৰূপেশ গোৱালাই শ্ৰমিক তথা জনসাধাৰণৰ সমস্যাৰ বুজ লোৱাৰ বাবে কালি এখন পৰ্যালোচনা সভাত অংশ লয়। এই সভাত মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ পৰা জলজীৱন, শিক্ষাৰ অভিযান আদি বিভিন্ন চৰকাৰী আঁচনিৰ ৰূপায়ণৰ খতিয়ান লয়। বিশেষকৈ লখিমপুৰ জিলাৰ চাহ বাগিচাসমূহত এই আঁচনিসমূহৰ কিমান অগ্ৰগতি হৈছে এই বিষয়ে মন্ত্ৰীগৰাকীয়ে সবিশেষ বুজ লয়। লগতে মন্ত্ৰী শ্ৰীগোৱালাই শ্ৰম বিষয়াসকলৰ পৰা প্লেনটেচন এক্টৰ সঠিক ৰূপায়ণৰ সন্দৰ্ভত তথ্য বিচাৰে। তদুপৰি বাগিচাসমূহত চৰকাৰী আঁচনিৰ সঠিক ৰূপায়ণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০

গোলাঘাট জিলাৰ চিনাতলীৰ শংকৰ মাধৱ ক্ষেত্ৰত স্বেচ্ছাসেৱী সংগঠন অৰণ্যমৰ উদ্যোগত কালিৰে পৰা চতুৰ্থ বাৰ্ষিক সদৌ অসম ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাখনৰ লগত সংগতি ৰাখি কালি পুৱা পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, তোৰণ উন্মোচন আৰু গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে প্ৰতিযোগিতামূলকভাৱে সাংস্কৃতিক শোভাযাত্ৰাও উলিওৱা হয়। প্ৰতিদিনে দুখনকৈ মুঠ ৩৪ খন ভাওনা এই প্ৰতিযোগিতাত প্ৰদৰ্শন কৰা হ'ব।

০০০০০০

মাজুলীৰ গড়মূৰস্থিত মিনি ষ্টেডিয়ামত আজি খেল মহাৰণ দ্বিতীয় পৰ্যায়ৰ সমষ্টিভিত্তিত ১৭ বছৰ ঊৰ্ধৰ ল'ৰা-ছোৱালী উভয়ৰে ভলীবলৰ বাছনি অনুষ্ঠিত হ'ব। আজি আৰু কাইলৈ উজনি মাজুলী আৰু মাজুলী দুয়োটা উন্নয়নখণ্ডতে চাইক্লিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **বিদেশ ভ্ৰমণৰ খুঁটি-নাটি** শীৰ্ষক এটা অনুষ্ঠান প্ৰচাৰ কৰিব। ফোন-ইন এই অনুষ্ঠানত ভ্ৰমণ পৰিচালনাৰ সৈতে জড়িত দুগৰাকী উদ্যমী প্ৰজ্ঞাস্মিতা বৰা আৰু প্ৰিয়ংকা গোস্বামী সমল ব্যক্তিৰূপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। এই অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত ফোন কৰি বিদেশ ভ্ৰমণ সম্পৰ্কত সমল ব্যক্তি দুগৰাকীৰ সৈতে কথা পাতিব পাৰিব।

০০০০০০

সমাপ্ত